# মন কি বাত

খণ্ড - ৪



# MANN KI BAAT
## VOL.8

**Authors**
Sarda Mohan and Tanushree Banerji

**Illustrations and Cover Art**
Dilip Kadam

**Assistant Artist**
Ravindra Mokate

**Production**
Amar Chitra Katha

**Colourists**
Prakash Sivan, Prajeesh V. P. and Periasamy Samikannu

**Flat Colourists**
Vineesh S. Sreedharan and Srinath Malolan M.

**Layout Artist**
Akshay Khadilkar

**Published by**
Amar Chitra Katha Pvt. Ltd

ASSAMESE

ISBN – 978-93-6127-634-7

Amar Chitra Katha Pvt. Ltd, January 2024

© Ministry of Culture, Govt of India, January 2024
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**,
a unique learning platform that brings these stories to your school with a range of workshops.
Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.

মৰমৰ শিশুসকল,

কোৱা হয় যে ভাৰত হৈছে বৈচিত্ৰ্যৰ দেশ। এই কথা সঁচা। আমি বিভিন্ন ভাষা আৰু সংস্কৃতিৰ লোকৰে গঠিত, কিন্তু আমি সকলো আন্তঃসংযুক্ত। আৰু যি আমাক সংযুক্ত কৰি ৰাখিছে সেয়া হৈছে আমাৰ মূল্যবোধ, আমাৰ চিন্তা আৰু আমাৰ মনোভাৱ।

তোমালোকে জানা যে প্ৰাকৃতিক সম্পদ লাহে লাহে দুৰ্লভ হৈ পৰিবলৈ ধৰিছে। অৰণ্য হ্ৰাস পাইছে আৰু পানী শুকাই গৈছে। কিন্তু আমাৰ সমগ্ৰ দেশতে এনে লোক আছে, যি 'সমস্যা সমাধানকাৰী'ৰ মনোভাৱেৰে উদ্বুদ্ধ। তেওঁলোকে সমস্যা দেখিছে, সমাধানৰ কথা ভাবিছে আৰু তাৰপিছত ইয়াক কাৰ্যকৰী কৰাৰ বাবে যিমান সম্ভৱ সকলো কৰিছে। এনে কৰাৰ দ্বাৰা, তেওঁলোকে নিজৰ জীৱন, চুবুৰীয়াসকলৰ জীৱন আৰু আনকি চৰাই-চিৰিকতি আৰু জীৱ-জন্তুৰ জীৱনো উন্নত কৰি তুলিছে।

অসমৰ যাদৱ পায়েঙৰ বিষয়ে তোমালোকক ক'বলৈ পাই মই গৌৰৱান্বিত হৈছো যি নিজ হাতেৰে এখন অৰণ্য সৃষ্টি কৰিছিল। এনে এখন অৰণ্য য'ত আজি, বাঘ আৰু গড়ৰ লগতে অন্য জীৱ-জন্তুৱে বাস কৰি আছে।

অসমৰ পৰা বহু দূৰত অৱস্থিত কেৰালাত, ৰফি ৰামনাথেও এখন ক্ষুদ্ৰ অৰণ্য সৃষ্টি কৰিছে। উৰিষ্যাৰ অমৰেশ সামন্ত, কৰ্ণাটকৰ সুৰেশ কুমাৰ আৰু উত্তৰাখণ্ডৰ জগদীশ কুনিয়ালেও বৃক্ষৰোপণ কৰি বহু সমস্যাৰ সমাধান কৰিছে।

মিজোৰামৰ লোকসকলে তেওঁলোকৰ বাবে গুৰুত্বপূৰ্ণ চিতে লুই নৈ পৰিষ্কাৰ কৰিছিল; আৰু তাৰপিছত, তেওঁলোকে তাৰ পৰা সংগ্ৰহ কৰা প্লাষ্টিকেৰে এটা ৰাস্তা নিৰ্মাণ কৰিছিল! দেশৰ আনটো মূৰত, তামিলনাডুৰ মহিলাসকলে মৃত-প্ৰায় নদী নাগানদীক পুনৰ জীৱিত কৰি তুলিছিল।

গতিকে তোমালোকে বুজিব পাৰিছা যে তোমালোকে ক'ত বাস কৰা সেয়া গুৰুত্বপূৰ্ণ নহয়। যদি তোমালোকে নিজৰ মাজত 'সমস্যা সমাধানকাৰী' মনোভাৱ গঢ়ি তুলিব পাৰা, তেন্তে যিকোনো ঠাইতে পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰিবা।



# সূচীপত্র


| | | |
|---|---|---|
| 1 | অমৰেশ সামন্ত | 3 |
| 2 | ইন্দ্ৰপাল সিং বাত্ৰা | 6 |
| 3 | যাদৱ পায়েং | 9 |
| 4 | জগদীশ চন্দ্ৰ কুনিয়াল | 12 |
| 5 | ৰফি ৰামনাথ | 15 |
| 6 | ৰিপু দমন বেভলি | 18 |
| 7 | নাগানদী | 21 |
| 8 | চাংগে শ্বেৰ্পা | 23 |
| 9 | চেভ চিতে লুই | 26 |
| 10 | সুৰেশ কুমাৰ | 28 |
| 11 | তুলসী ৰাম যাদৱ | 31 |

# অমৰেশ সামন্ত


শিক্ষাৰ্থীসকলে এজন পৰিৱেশবিদৰ সৈতে জলবায়ু পৰিৱৰ্তনৰ ওপৰত এটা বিশেষ শ্ৰেণীত ভাগ লৈছিল।
ছাৰ, এই কথা সঁচা নেকি যে আপুনি নিজেই এখন অৰণ্য সৃষ্টি কৰিছে?
এতিয়ালৈকে হোৱা নাই, কিন্তু মই আন কেইজনমানৰ সৈতে কাম কৰি আছো।
কিন্তু কিয়, ছাৰ? অৰণ্য সৃষ্টি কৰাটো খেতি কৰাৰ দৰে নহয়। আপুনি অৰণ্যৰ পৰা কোনো খাদ্য-শস্য নাপায়।
অৰণ্য সৃষ্টি কৰাৰ বহুতো লাভালাভ আছে। ই প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰে। ই বায়ু পৰিষ্কাৰ কৰাত, পৰিৱেশ তন্ত্ৰ পুনৰুদ্ধাৰ কৰাত আৰু চাৰিওফালৰ এলেকাবোৰক অত্যাধিক বতাহ আৰু বানপানীৰ পৰা সুৰক্ষিত কৰাত সহায় কৰে।
বৰ্ধিত প্ৰদূষণৰ সৈতে যুঁজ কৰিবলৈ বনানীকৰণ হৈছে সময়ৰ প্ৰয়োজনীয়তা। সুখৰ কথা যে, অৰণ্য সৃষ্টি কৰিবলৈ কাম কৰা লোক আছে। তেনে এজন মানুহ হৈছে উৰিষ্যাৰ অমৰেশ সামন্ত।
মই তোমালোকক তেওঁৰ কাহিনীটো কও শুনা।
অমৰেশ সামন্ত উৰিষ্যাৰ উপকূলীয় অঞ্চলৰ বিলৱালী নামৰ এখন গাঁৱত ডাঙৰ দীঘল হৈছিল।
আন এটা ঘূৰ্ণীবতাহে আমাৰ গাঁৱত আঘাত কৰিব। আশাকৰো আমাৰ ঘৰটো সুৰক্ষিত হৈ থাকিব।
ঘূৰ্ণীবতাহৰ ধ্বংসলীলা প্ৰতিহত কৰিবলৈ আমি কিবা এটা কৰিব লাগিব।
অমৰেশ আছিল এজন বৈদ্যুতিক অভিযন্তা, কিন্তু প্ৰাকৃতিক দুৰ্যোগ প্ৰতিৰোধ কৰাৰ চিন্তা সদায় তেওঁৰ মনত আছিল।
মই পঢ়িছো যে নদীৰ পাৰত বৃক্ষৰোপণ কৰিলে ঘূৰ্ণীবতাহৰ প্ৰভাৱ হ্ৰাস হ'ব। আপুনি মোক সহায় কৰিব নেকি?
নিশ্চয়। আমি আমাৰ বন্ধুসকলক এই কামত যোগ দিবলৈ কম।


কেইজনমান স্বেচ্ছাসেৱকৰ সৈতে একেলগে, অমৰেশে 1995 চনত নদীৰ পাৰত শাৰী শাৰীকৈ গছ ৰুবলৈ আৰম্ভ কৰিছিল।
আহা, আমি হ্ৰদৰ পাৰতো বৃক্ষৰোপণ কৰো।
আৰু ওচৰৰ ৰাস্তা আৰু কিছুমান ৰাজহুৱা স্থানতো।
বিগত বছৰবোৰত, অমৰেশ আৰু তেওঁৰ দলে জগতসিংপুৰ জিলা জুৰি বহুতো বৃক্ষৰোপণ অভিযান চলাইছিল।
কিন্তু যেতিয়া উৰিষ্যাত ঘূৰ্ণীবতাহে আক্ৰমণ কৰিলে –
গছবোৰো উভালি পৰিছে!
ঘৰ-সম্পত্তিৰ ক্ষতি একেবাৰে হ্ৰাস হোৱা নাই।
অমৰেশে ইয়াৰ সমাধান বিচাৰি বহু বছৰ অতিবাহিত কৰিলে। 2015 চনত –
গ্ৰাম্য জংঘল* হৈছে ইয়াৰ উত্তৰ। আমি ক্ষুদ্ৰ অৰণ্য সৃষ্টি কৰিবলৈ গছসমূহ গোট হিচাপে ৰোপণ কৰিব লাগিব। ই মাটিৰ খহনীয়া নিয়ন্ত্ৰণ কৰিব আৰু ঘূৰ্ণীবতাহ আৰু বানপানীৰ প্ৰভাৱ হ্ৰাস কৰিব।
কিন্তু তাৰ বাবে মাটি ক'ত আছে?
অমৰেশ আৰু তেওঁৰ দলটোৱে গাওঁবাসীসকলক কিছু মাটি দান কৰিবলৈ অনুৰোধ কৰিলে।
আমি কিয় বিনামূলীয়াকৈ মাটি দিব লাগে?
আমি সেই মাটি খেতি কৰিবলৈ ব্যৱহাৰ কৰিব পাৰো।
বহুতো গাওঁবাসীয়ে তেওঁলোকৰ অনুৰোধ মানি লোৱা নাছিল।

*গ্ৰাম্য অৰণ্য




*গাঁওবুঢ়া

^সন্মানজনক সম্বোধন

# ইন্দ্ৰপাল সিং বাত্ৰা



নায়াৰ ছাৰ আৰু শিক্ষাৰ্থীসকল প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ গৈছিল।
আমি আজি কোনো বিশেষ ধৰণৰ চৰাই দেখা পোৱা নাই।
চোৱা, কেইটামান ঘৰচিৰিকা!
কিন্তু ঘৰচিৰিকা বিশেষ চৰাই নহয়।
তোমালোকে জানানে যে ঘৰচিৰিকা এতিয়া এটা বিপদাপন্ন প্ৰজাতি?
ইয়াৰ অৰ্থ এইটো নেকি যে ঘৰচিৰিকা বিলুপ্ত হ'ব পাৰে?
বিগত বছৰবোৰত ঘৰচিৰিকাৰ সংখ্যা হ্ৰাস পাইছে। সুখৰ কথা যে ইন্দ্ৰপাল সিং বাত্ৰাৰ দৰে কিছুমান লোকে ঘৰচিৰিকা সংৰক্ষণৰ বাবে প্ৰচেষ্টা চলাই আছে।
ইন্দ্ৰপাল সিং বাত্ৰা হ'ল এজন খাদ্য ব্যৱসায়ী আৰু তেওঁ বাৰাণসীত বাস কৰিছিল। এদিন –
ছোনিয়া, মই যোৱা সন্ধিয়া খোজ কাঢ়িবলৈ যাওঁতে বহুদিনৰ পিছত এটা ঘৰচিৰিকা দেখিছিলো।
মই সৰু থাকোতে বহুত ঘৰচিৰিকা দেখিছিলো।
বহু ওখ অট্টালিকা নিৰ্মাণ হৈছে আৰু ঘৰচিৰিকাই বাহ বনোৱাৰ বাবে কোনো গছ নাই। সেয়েহে ঘৰচিৰিকাৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে।
সঁচা কথা, কিন্তু আমি এই বিষয়ে কি কৰিব পাৰো?


ইন্দ্ৰপালে ঘৰচিৰিকাৰ বাবে শস্য আৰু বীজ ৰাখিবলৈ আৰম্ভ কৰিলে। সোনকালেই –
চোৱা, কেইটামান ঘৰচিৰিকাই খাবলৈ আহিছে। মই আশাকৰো সিঁহত সদায় আহিব।
কেইসপ্তাহমানৰ পিছত ইন্দ্ৰপালৰ মনলৈ এটা বুদ্ধি আহিল –
মই এই পাত্ৰটোত এটা ফুটা কৰি খেৰ ভৰাই দিছো। মই ইয়াক আমাৰ ঘৰৰ বাহিৰত লগাই দিম। ঘৰচিৰিকাবিলাকে ইয়াত বাহ বনাব পাৰিব।
সোনকালেই –
চাওক, আপোনাৰ বুদ্ধিয়ে কাম কৰিছে।
মই খুবেই সুখী! মই অধিক পাত্ৰ কিনি আনি ঘৰচিৰিকাবোৰৰ বাবে আৰু বহুতো বাহ বনাম।
ইন্দ্ৰপালে বহু মাটিৰ পাত্ৰৰ বাহ তৈয়াৰ কৰি সেইবোৰ তেওঁৰ ঘৰৰ ভিতৰত আৰু বাহিৰত ৰাখিছিল।
আমাৰ ঘৰটোৱে এতিয়া এক অনন্য ৰূপ লাভ কৰিছে!
সঁচা, আৰু ঘৰচিৰিকাই ভৰি পৰিলে আমাৰ চাৰিওফালৰ পৰিৱেশো অনন্য হৈ পৰিব।


ইন্দ্ৰপালে নিয়মীয়াকৈ ঘৰচিৰিকাবোৰৰ বাবে খাদ্য আৰু পানী ৰাখিছিল আৰু বছৰ বছৰ ধৰি, বহুতো চৰাইয়ে তেওঁৰ ঘৰটো নিজৰ কৰি লৈছিল।
দেউতা, চোৱা এই চৰাইটো মোৰ হাতত পৰিছে।
এতিয়া ঘৰচিৰিকাৰ সংখ্যা বৃদ্ধি পাইছে, অমৃতা। বৰ সুখৰ কথা, নহয়নে বাৰু?


ইন্দ্ৰপালে আনকি তেওঁৰ চাৰিওফালৰ এলেকাত বৃক্ষৰোপণ কৰিবলৈ আৰম্ভ কৰিছিল যাতে অধিক চৰাইয়ে বাহ নিৰ্মাণ কৰিব পাৰে।
তেওঁ বহু বছৰ ধৰি শ শ গছ ৰোপণ কৰিছে।


ইন্দ্ৰপালৰ ঘৰত পৰিৱৰ্তন দেখি তেওঁৰ কিছুমান চুবুৰীয়া অনুপ্ৰাণিত হৈছিল।
ইন্দ্ৰপাল, আপুনি যি কৰিছে সেয়া আশ্চৰ্যজনক। চৰাইৰ সংখ্যা বৃদ্ধি পাইছে!
আমিও ঘৰচিৰিকাৰ সংৰক্ষণত সহায় কৰিব বিচাৰোঁ।
কেৱল চৰাইবোৰৰ বাবে খাদ্য আৰু পানী নিয়মীয়াকৈ ৰাখিব আৰু চৰাই নিশ্চিতভাৱে আপোনাৰ ঘৰৰ আশে-পাশে থাকিবলৈ আহিব।


ইন্দ্ৰপালে 15 বছৰৰো অধিক কাল ধৰি চৰাইবোৰক খুৱাই আহিছে। আজি, তেওঁৰ ঘৰত 100 টাতকৈও অধিক বাহ আছে আৰু তাত প্ৰায় 2,500 চৰায়ে বাস কৰে।
ঘৰচিৰিকা সংৰক্ষণৰ দিশত ইন্দ্ৰপালৰ পদক্ষেপে আন বহুতক অনুপ্ৰাণিত কৰিছে। তেওঁৰ প্ৰচেষ্টাই আনকি মন কি বাতত আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে।

# যাদৱ পায়েং


স্কুলৰ বাগিছাত –
ইছ্! আমি নতুনকৈ ৰোৱা পুলিবিলাক মৰহি গৈছে।
এসপ্তাহ আগতে বন্ধৰ পূৰ্বে সেইবিলাক ভালকৈয়ে গজিছিল।
ইয়াৰ কাৰণ হৈছে কেৱল গছপুলি ৰোপণ কৰাই যথেষ্ট নহয়। অসমৰ যাদৱ পায়েঙৰ দৰে ইয়াৰ যত্নও ল'ব লাগিব। পায়েঙে এককভাৱে এখন বিশাল অৰণ্য সৃষ্টি কৰিছিল আৰু সেয়াও এক বালিচৰত!
মিচিং জনজাতিৰ যাদৱ মোলাই পায়েঙে পৃথিৱীৰ অন্যতম বৃহৎ নদীদ্বীপ মাজুলীত বাস কৰে।
1979 চনৰ এটা গৰম আবেলি যাদৱে এনে কিবা দেখিছিল যি তেওঁৰ জীৱন চিৰদিনৰ বাবে সলনি কৰি দিছিল। তেতিয়া তেওঁৰ বয়স আছিল 16 বছৰ।
ইমানবোৰ সাপ! সকলো মৰা!
বালি নিশ্চয় অত্যাধিক গৰম হৈ পৰিছে আৰু কোনো ছাঁ নাই।


গৰমৰ কাৰণে আমিও এদিন এনেদৰে মৰিম নেকি?
ইয়াক ৰোধিবলৈ মই কিবা এটা কৰা উচিত।
যাদৰে পিছদিনা বালিচৰত কেইটামান বাঁহপুলি ৰোপণ কৰিলে...
উস! ইমান গৰম।
... আৰু তাৰপিছত।
এয়া বেছ পৰিশ্ৰমৰ কাম আছিল, কিন্তু তেওঁ থমকি নৰ'ল।
তাৰপিছত, তেওঁ আন প্ৰজাতিৰ গছ ৰোপণ কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ প্ৰতিদিনে এটাকৈ গছপুলি ৰোপণ কৰিছিল, অৱশেষত...
য'ত আগতে কেৱল বালি আছিল তাত ডাঙৰ সেউজীয়া অৰণ্য সৃষ্টি হৈছিল।


40 বছৰতকৈও অধিক কালৰ পিছত, বালিচৰটো তেওঁৰ নামেৰে মোলাই অৰণ্য নামেৰে নামাকৰণ কৰা হৈছিল। হাতী, বাঘ, গড় আৰু সকলো ধৰণৰ চৰাই-চিৰিকটিয়ে এই অৰণ্যত বাস কৰিবলৈ আৰম্ভ কৰিছিল।
যাদৱৰ জীৱনৰ ওপৰত কিতাপ, চলচ্চিত্ৰ আৰু তথ্যচিত্ৰ নিৰ্মাণ হৈছে। 'দ্য ফৰেষ্ট মেন অৱ ইণ্ডিয়া' হিচাপে জনাজাত যাদৱক 2015 চনত পদ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছিল।
যাদৱে এতিয়াও প্ৰতিদিনেই পুৱা 4.30 বজাত বিচনা এৰে আৰু গছ-গছনিৰ যত্ন ল'বলৈ অৰণ্যলৈ যায়।
এয়া মই অকলে সৃষ্টি কৰা নাই। মই মাত্ৰ গছবোৰ ৰোপণ কৰিছিলো। গছত এবাৰ বীজ লগাৰ পিছত, বতাহে সেইবোৰ কেনেদৰে ৰোপণ কৰিব লাগে জানে, চৰাইবোৰে সেইবোৰ কেনেদৰে ৰোপণ কৰিব লাগে জানে, জন্তুবোৰে জানে, আনকি ব্ৰহ্মপুত্ৰইও জানে। সমগ্ৰ পৰিস্থিতিতন্ত্ৰই জানে।
যাদৱে প্ৰকৃতিৰ ভাষা বুজি পাইছে আৰু ইয়াৰ সৈতে মিলি গৈছে।

# জগদীশ চন্দ্ৰ কুনিয়াল




*পাহাৰেদি বৈ অহা বৰষুণৰ পানীৰ সোঁত

^1970ৰ দশকৰ এক পাৰিপাৰ্শ্বিক আন্দোলন য'ত মানুহে গছ কটা প্ৰতিহত কৰিবলৈ গছবিলাকক আলিংগন কৰিছিল




*UNCLE IN HINDI


সেই বছৰতে, চৰকাৰে পাহাৰীয়া অঞ্চলত চাহ বাগিছা স্থাপনৰ পৰিকল্পনা আৰম্ভ কৰে।
উত্তৰাখণ্ড ৰাজ্য চৰকাৰে পাহাৰ উন্নয়ন কাৰ্যসূচীৰ অধীনত চাহ খেতিক উৎসাহিত কৰিবলৈ আৰম্ভ কৰিছে।
মই নিশ্চয় এইটো কৰিম। যদি মই চাহ ৰোপণ কৰো আৰু এজন চকীদাৰ নিযুক্ত কৰো, তেন্তে গছপুলিবিলাকৰ কোনো ক্ষতি নহ'ব।
জগদীশে তেওঁৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল আৰু বনাঞ্চলৰ পৰিমাণ বৃদ্ধি পাইছিল।
অৱশেষত, 2012 চনত –
গধেৰাইদি পানী তললৈ বৈ আহিছে! বিশ্বাস হোৱা নাই যদি ওচৰলৈ আহি চাওকহি।
মই এই দিনটোৰ বাবেই ইমান দিন অপেক্ষা কৰি আছিলো!
তোমাৰ কঠোৰ পৰিশ্ৰমে ফল দিছে, পুত্ৰ! লাজৰ কথা যে আমি তোমাক বিশ্বাস কৰা নাছিলো।
আমাৰ ভৱিষ্যত সুৰক্ষিত। এই সুখৰ মূল্য টকাই কিনিব পৰা যিকোনো বস্তুতকৈ বেছি।
জগদীশৰ সফলতাত গোটেই গাওঁখন আনন্দিত হৈছিল।
গাওঁখনৰ 150 টাতকৈও অধিক পৰিয়ালে পানীৰ বাবে এই গধেৰাৰ ওপৰত নিৰ্ভৰ কৰে, আৰু তুমি তেওঁলোকৰ জীৱন সলনি কৰি পেলাইছা। নেৰানেপেৰাকৈ লাগি থকাৰ বাবে তোমাক ধন্যবাদ।
এতিয়া, গধেৰা পানীৰে ভৰ্তি কৰি ৰাখিবলৈ, আমি অধিক গছ ৰোপণ কৰিব লাগিব।
30 বছৰত, জগদীশে তেওঁৰ গাঁৱত 15,000 গছ ৰোপণ কৰিছিল। অৱশেষত –
আমি চুবুৰীয়া গাওঁখনৰ পৰা আহিছো, আৰু আমি আমাৰ পানীৰ উৎসবোৰো পুনৰুজ্জীৱিত কৰিব বিচাৰো। আমি কেনেকৈ আৰম্ভ কৰিম?
গছপুলিৰে আৰম্ভ কৰক আৰু কাটি পেলোৱা প্ৰতিজোপা গছৰ বিপৰীতে পাঁচজোপাকৈ গছ ৰোপণ কৰিবলৈ মনত ৰাখিব।

# ৰফি ৰামনাথ




*কেৰালাৰ আলাপুঝাত


কেইসপ্তাহমানৰ পিছত -
বিদ্যালয়ে আমাক দিয়া এই ঠাইত এখন বনৌষধিৰ বাগিছা আৰম্ভ কৰো আহা। আমি নিম আৰু অশোকৰ দৰে গছ ৰুম।
ৰফিয়ে বাগিছাখন আৰম্ভ কৰিবলৈ বন বিভাগৰ পৰা গছপুলি লাভ কৰিলে।
বিগত বছৰবোৰত, ৰফি আৰু তেওঁৰ শিক্ষাৰ্থীসকলে বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদ ৰোপণ কৰিছিল।
যেতিয়া আমি অহা বছৰ উত্তীৰ্ণ হ'ম তেতিয়া কি হ'ব?
পৰৱৰ্তী শিক্ষাৰ্থীসকলে বাগিচাখনৰ যত্ন ল'ব।
বনৌষধিৰ বাগিছাখনত 150 ৰো অধিক প্ৰকাৰৰ উদ্ভিদ আছে, যাক শিক্ষাৰ্থীসকলে 13 বছৰতকৈও অধিক কাল ধৰি প্ৰতিপালন কৰি আহিছে।
বনৌষধিৰ বাগিছাৰ পৰিকল্পনা সফল হৈছে। এতিয়া মই পৰিৱেশ সংৰক্ষণৰ বাবে অধিক সময় আৰু শক্তি খৰচ কৰিব লাগিব।
ৰফিয়ে সোনকালেই এটা বেচৰকাৰী সংগঠনৰ সৈতে সহযোগিতা কৰি সমগ্ৰ জিলাখনতে বৃক্ষৰোপণ অভিযান চলাবলৈ আৰম্ভ কৰিলে।
অনুগ্ৰহ কৰি আপোনালোকৰ বন্ধুবৰ্গ আৰু পৰিয়ালক আমাৰ পৰৱৰ্তী অভিযানত যোগদান কৰিবলৈ কওক। যিসকলে তেওঁলোকৰ ঘৰৰ ওচৰতে ৰোপণ কৰিব বিচাৰে, তেওঁলোকৰ মাজতো আমি গছপুলি বিতৰণ কৰিম।
বিগত বছৰবোৰত, ৰফিয়ে এক লাখৰো অধিক গছ ৰুইছে আৰু দুই লাখৰো অধিক গছপুলি বিতৰণ কৰিছে।




*2168 বৰ্গফুট

^জ্ঞানৰ অৰণ্য

# ৰিপু দমন বেভলি


দিল্লীৰ প্ৰদূষণে ভয়ানক স্তৰ স্পৰ্শ কৰিছে। আশাকৰো তোমালোকে বিদ্যালয়লৈ অহাৰ সময়ত মাস্ক পিন্ধি আহিছা।


হয় ছাৰ। পৰিস্থিতি দিনক দিনে বেয়ালৈ গতি কৰিছে!
ই মোক ৰিপু দমন বেভলিৰ কথা মনত পেলাই দিছে যি প্ৰদূষণৰ বিৰুদ্ধে যুঁজিবলৈ এক অনন্য পন্থা অৱলম্বন কৰিছিল।


ৰিপু দমন বেভলিয়ে তেওঁৰ মাক ৰণবীৰ কৌৰ আৰু তেওঁৰ সৰু ভগ্নী জেচমিনৰ সৈতে দিল্লীত বাস কৰিছিল।
ৰিপু মাত্ৰ ছয় বছৰীয়া যদিও সি জেচমিনক ইমান ভালদৰে চোৱাচিতা কৰে!
ৰণবীৰে এইটোও লক্ষ্য কৰিছিল যে ৰিপুৱে ক্ৰীড়া, বিশেষকৈ ক্ৰিকেটৰ প্ৰতি গভীৰ আগ্ৰহ দেখুৱাইছিল।


পৰৱৰ্তী কেইবছৰমানত, ৰিপুৱে ৰাজ্যিক পৰ্যায়ত ক্ৰিকেট খেলিছিল।
মই মোৰ খেল উন্নত কৰিব লাগিব। মই এদিন ভাৰতক প্ৰতিনিধিত্ব কৰিব বিচাৰো।




*চাইনাছৰ আৱৰণ তৈয়াৰ কৰা কোষকলাৰ প্ৰদাহ
^প্লʼগিং আন্দোলনৰ প্ৰতিষ্ঠাপক

**প্লʼগিংত 'প্লকা-আপ' একত্ৰিত হৈ থাকে, অৰ্থাৎ চুইডিছত 'পিক আপ', আৰু 'জগিং'




*আৱৰ্জনা পেলোৱা লোক
^পৰিষ্কাৰ কৰা লোক

# নাগানদী




*তামিলনাডুৰ ভেলোৰ জিলাৰ এখন গাওঁ

^পৰম্পৰাগত ৰিচাৰ্জ কুঁৱা


যেতিয়া কোনো গাওঁবাসী আগবাঢ়ি অহা নাছিল, তেতিয়া ফাউণ্ডেচনে প্ৰথম পাঁচটা ৰিচাৰ্জ কুঁৱা খনন কৰিবলৈ চেন্নাইৰ পৰা স্বেচ্ছাসেৱক আমন্ত্ৰণ কৰিছিল। দুমাহৰ পিছত, জিলা উপায়ুক্তই অঞ্চলটো পৰিদৰ্শন কৰে।
যোৱা দহ বছৰত এইবাৰেই পানীৰ স্তৰ সৰ্বাধিক। যদি আমি গাওঁবাসীসকলক নিযুক্তি আৰু প্ৰশিক্ষণ দিব পাৰোঁ, তেন্তে আমি এই কামটো আন গাওঁলৈও সম্প্ৰসাৰিত কৰিব পাৰোঁ।
এইয়া অতি আশাব্যঞ্জক। আমি আপোনালৈ সম্পূৰ্ণ চৰকাৰী সমৰ্থন আগবঢ়াইছো।
সোনকালেই -
আক্কা*, আমি নদীখন বচাবলৈ সাজু।
সুন্দৰ! আমি পৰিয়ালৰ এজন সদস্যৰ বাবে 100 দিনৰ কামৰ নিশ্চয়তা দিও। আমি ৰিচাৰ্জ কুঁৱা নিৰ্মাণৰ বিষয়ে 15 দিনৰ প্ৰশিক্ষণো প্ৰদান কৰিম।
20 গৰাকী মহিলাই ৰিচাৰ্জ কুঁৱা খনন কৰিবলৈ আৰম্ভ কৰিছিল আৰু সেইবোৰত বৰষুণৰ পানী জমা হ'বলৈ আৰম্ভ কৰিছিল।
অতি সোনকালেই, মহিলাসকলে চিমেণ্টৰ ৰিং নিৰ্মাণ কৰিবলৈ শিকিছিল আৰু সেইবিলাক কুঁৱাবোৰত ব্যৱহাৰ হৈছিল। ইয়াৰ ফলত অতিৰিক্ত উপাৰ্জনো হৈছিল।
পুৰুষে অধিক ভালকৈ কৰিব পাৰিব। এইটো আমাৰ ওপৰত এৰি দিয়া।
হয় নেকি? আপোনালোক ইমান বছৰে ক'ত আছিল? অঞ্চলটো মৰুভূমি হোৱালৈ অপেক্ষা কৰি আছিল নেকি?
এই খবৰ সোনকালেই বিয়পি পৰিছিল, আৰু 2016 চনলৈ, 1,200 জন লোকে, বেছিভাগ মহিলাই, অঞ্চলটোত 354 টা ৰিচাৰ্জ কুঁৱা নিৰ্মাণ কৰিছিল।
পৰৱৰ্তী তিনি বছৰত, 20,000 ৰো অধিক মহিলাই ভেলোৰ জিলাত 3,700 টা ৰিচাৰ্জ কুঁৱা আৰু বোল্ডাৰ চেক বান্ধ নিৰ্মাণৰ বাবে একেলগে কাম কৰিছিল।
বৰ্ষা ঋতুত নদীখন ভালদৰে বৈছে।
হয়। ইয়াৰ পাৰত অধিক গছ-গছনি গজিছে। আমি আমাৰ নদী আৰু গাওঁসমূহ ৰক্ষা কৰিব পাৰিছো।
প্ৰকল্পটোৱে নাগানদীৰ পাৰত থকা 400 তকৈও অধিক গাওঁলৈ পানী আনিছিল। 2019 চনত -
আগতে, আমি বাৰিষাত কেৱল এটা শস্যৰহে খেতি কৰিব পাৰিছিলো। এতিয়া, শুকান বতৰতো আমি খেতি কৰিব পাৰো।
নদীখনে সঁচাকৈয়ে আমাৰ জীৱন সলনি কৰিছে।

*তামিল ভাষাত ভগ্নী।

# চাংগে শ্বেৰ্পা




*ছিকিমৰ এখন গাওঁ

^Tso'ৰ অৰ্থ হৈছে 'হ্ৰদ', mgo'ৰ অৰ্থ হৈছে 'মুৰ'




*ছিকিমৰ ৰাজধানী
^ছিকিম আৰু তিব্বতৰ মাজৰ এটা গিৰিপথ

**চংগো লেক কনজাৰভেচন কমিটি
^^ৱৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ


তেওঁ চৰকাৰ আৰু স্থানীয় লোকসকলৰ মাজত এক সংযোগবিন্দু হৈ পৰিছিল, আৰু টিপিএছএছৰ কাৰ্যসূচী পৰিচালনা কৰিবলৈ আৰম্ভ কৰিছিল।
প্ৰদূষণৰ মুখ্য উৎস হৈছে ফাষ্ট ফুড আউটলেটবোৰ। সেইবোৰ আৰ্দ্ৰভূমিৰ ওচৰত অৱস্থিত। আমি সেইবোৰ দূৰলৈ স্থানান্তৰিত কৰিব পাৰো।
আমি প্লাষ্টিকৰ বেগৰ সলনি পৰ্যটকসকলক কাপোৰৰ বেগ দিব পাৰো।
কমপ্লেক্সটোক চংগোৰ পৰা 100 মিটাৰ তলৰ ঠাইলৈ স্থানান্তৰিত কৰা হৈছিল, আৰু ইয়াৰ ফলত লেতেৰা পানী হ্ৰদটোলৈ বৈ যোৱাটো বন্ধ হৈছিল।
টিপিএছএছ-ৰ জৰিয়তে, চাংগে আৰু তেওঁৰ বন্ধুবৰ্গই আন বহুতো গুৰুত্বপূৰ্ণ পৰিৱৰ্তন কৰিছিল।
কাপ নুডলৰ বাকচবোৰে ইয়াত সৰ্বাধিক আৱৰ্জনাৰ সৃষ্টি কৰে। আমি সেইবিলাকৰ বিক্ৰী নিষিদ্ধ কৰো আহক।
আৰু আমাক হ্ৰদটোৰ চাৰিওফালে আৰু বহুতো আৱৰ্জনা সংগ্ৰহ পাত্ৰৰ প্ৰয়োজন।
হ্ৰদটোৰ চাৰিওফালৰ এলেকাটো দৈনিক দুবাৰকৈ পৰিষ্কাৰ কৰা হৈছিল, আৰু আৱৰ্জনাক প্ৰকাৰ অনুসৰি পৃথক কৰা হৈছিল।
ৰিচাইকলযোগ্য আৱৰ্জনা সংগ্ৰহ কৰি স্ক্ৰেপ ডীলাৰক দিয়া হৈছিল, যাতে সেইবোৰ ৰিচাইকল কৰিব পাৰি।
চংগোৰ সুৰক্ষাৰ বাবে টিপিএছএছে হাতত লোৱা প্ৰচেষ্টাৰ বাবে ছিকিম চৰকাৰৰ পৰা কেইবাটাও বঁটা লাভ কৰিছে।
এটা মহান উদ্দেশ্যৰ বাবে এখন সমাজ একত্ৰিত হোৱাৰ কি এক আশ্চৰ্যকৰ উদাহৰণ!
আজি, বাৰ্ষিক চাৰি লাখতকৈও অধিক পৰ্যটক ৰাজ্যখনত উপস্থিত হোৱা স্বত্বেও, ছিকিম হৈছে ভাৰতৰ আটাইতকৈ পৰিষ্কাৰ ৰাজ্যসমূহৰ ভিতৰত এখন
ভাৰতৰ প্ৰধানমন্ত্ৰীয়েও এই মাইলৰ খুঁটিত উপনীত হোৱাৰ ক্ষেত্ৰত চাংগেৰ অৱদানৰ শলাগ লৈছে।
চাংগে শ্বেৰ্পা জীৰ প্ৰচেষ্টাই ছিকিমৰ এক সাংস্কৃতিক চিহ্ন চংগোৰ পৰিৰৱৰ্তন সম্ভৱ কৰি তুলিছে!
চাংগেই পৰ্যটক আৰু স্থানীয় লোকসকলক পৰিৱেশ সংৰক্ষণৰ গুৰুত্বৰ প্ৰতি অনুপ্ৰাণিত আৰু সংবেদনশীল কৰি ৰাখিছে।

# চেভ চিতে-লুই




*মিজোৰামৰ ৰাজধানী

^মিজোৰামৰ লোকসকল




*সবু বান্ধ যিবোৰ জলাশয়ত পলসৰ প্ৰৱেশ ৰোধ কৰিবলৈ নিৰ্মাণ কৰা হয়

^ৰাষ্ট্ৰীয় সেৱা আঁচনি

# সুৰেশ কুমাৰ


ছাৰ, আমি এটা পৰিৱৰ্তনৰ মাধ্যম হ'ব খোজো, কিন্তু আমি কি কৰিম? বহু দিশত কাম কৰাৰ বিকল্প আছে।
তোমালোকৰ মনে বিচৰা এটা বিকল্প বাচি লৈ তাৰ ওপৰত ধৈৰ্য্য সহকাৰে কাম কৰা, চৰণ।
আজিৰ কাহিনীৰ নায়ক সুৰেশ কুমাৰৰ দৰে, যি কেইবাবছৰো কাম কৰি চহৰখনৰ এটা অংশ সেউজীয়া আৰু ধুনীয়া কৰি তুলিছে।
বেংগালুৰুৰ সাহাকাৰা নগৰৰ বাসিন্দা সুৰেশ কুমাৰে বহু বছৰ ধৰি 'আপুনি পৃথিৱীত চাব বিচৰা পৰিৱৰ্তনটো নিজেই কঢ়িয়াই আনক' নীতিত বিশ্বাস কৰি আহিছে।
প্ৰায় বিশ বছৰ আগতে, সুৰেশে সাহাকাৰা নগৰত 2,500 টা গছপুলি ৰোপণ কৰিছিল। সেইবোৰ এতিয়া প্ৰাপ্তবয়স্ক হৈছে আৰু তেওঁ সেইবিলাকক সাংস্কৃতিকভাৱে গুৰুত্বপূৰ্ণ ব্যক্তিৰ নামেৰে নামাকৰণ কৰিছে।
গছপুলি ৰোপণৰ সিদ্ধান্তটো এটা গুৰুত্বপূৰ্ণ পৰ্যৱেক্ষণৰ পৰা উদ্ভৱ হৈছিল।


‘ভাৰতৰ বাগিছা চহৰ’ নামে জনাজাত বেংগালুৰু এসময়ত ইয়াৰ গছ-গছনি, বিশাল আৱৰ্জনাৰ আৰু হ্ৰদৰ বাবে সুপৰিচিত আছিল।
1973
1992
2008
2021
দুখৰ বিষয় যে, দ্ৰুত নগৰায়নৰ বাবে যোৱা 50 বছৰত, চহৰখনে ইয়াৰ সেউজীয়া আৱৰণৰ 88% আৰু পানীৰ আৱৰণ 79% হেৰুৱাইছে।
এই দ্ৰুত অৱনতি বৰ দুখৰ কথা। যদি আমি সোনকালে কিবা এটা নকৰো, আমাৰ নগৰত গছ-গছনি চিৰদিনৰ বাবে হেৰাই যাব।
সুৰেশে মূলপথ, ৰেলপথৰ কাষত, আৰু সাহাকাৰা নগৰৰ উদ্যানসমূহত গছপুলি ৰোপণ কৰিবলৈ আৰম্ভ কৰিছিল।
আমি যিমান বেছি গছ ৰোপণ কৰিম, আমাৰ ভৱিষ্যত সিমানেই সেউজীয়া হ'ব!
তেওঁ অঞ্চলটোৰ বাসিন্দাসকলকো তেনে কৰিবলৈ উৎসাহিত কৰিছিল।
আৰম্ভণিতে, তেওঁ নানা সমস্যাৰ সন্মুখীন হৈছিল।
আমি আপোনাক বিশ্বাস নকৰো। কোনে জানে যদি আপোনাৰ ৰাজনীতিত যোগদান কৰাৰ দৰে আন কোনো উদ্দেশ্য আছে?
ৰাজনীতিয়ে মোক আকৰ্ষণ নকৰে, মহাশয়। প্ৰকৃতিয়ে আমাক বহু দিছে, আৰু সেয়েহে পৰিৱেশ সুৰক্ষিত আৰু সংৰক্ষণ কৰাটো মোৰ কৰ্তব্য।
গ্ৰীষ্মকালত গছপুলিবোৰত পানী দিয়াটো এটা কঠিন কাম আছিল। কিন্তু –
মই পানীৰ টেংক নিৰ্মাণ কৰিম আৰু পৰিচাৰক নিয়োগ কৰিম যি গছপুলিবোৰত পানী দিব পাৰে।
ইয়াৰ উপৰিও, সুৰেশে ব্যক্তিগতভাৱে প্ৰতিদিনে গছপুলিসমূহ তদাৰক কৰিছিল।


সুৰেশৰ প্ৰচেষ্টাৰ বাবে, আজি অঞ্চলটোত আন গছৰ লগতে মেহগনি, নিম, জেচমিন আৰু জাকাৰান্দাৰ দৰে গছ-গছনিৰ ভাণ্ডাৰ আছে।
বায়ু অধিক পৰিষ্কাৰ আৰু সতেজ হোৱাৰ বাবে অঞ্চলটো চহৰখনৰ আটাইতকৈ মনে-বিচৰা আৱাসিক স্থানবোৰৰ এটা হৈ পৰিছে
সুৰেশে কৰ্ণাটকৰ ভাষা, ইতিহাস আৰু সংস্কৃতিৰ প্ৰচাৰৰ বাবেও কাম কৰিছে।
ইয়াৰ বাবে তেওঁ 500 বৰ্গফুটৰ বাছযাত্ৰীৰ আশ্ৰয় স্থল নিৰ্মাণ কৰিছে য'ত ৰাজ্যখনৰ কবি আৰু অন্য বিখ্যাত লোকৰ ছবি আছে।
বাছযাত্ৰীৰ আশ্ৰয় স্থলত সকলো ধৰণৰ কানাড়া গানো বজোৱা হয় - ভক্তিমূলক আৰু লোকসংগীতৰ পৰা চলচ্চিত্ৰ আৰু ধ্ৰুপদী সংগীতলৈকে।
মানুহক শিক্ষিত কৰাৰ কি যে এক সৃষ্টিশীল উপায়!
কিছুমান ট্ৰেক কৰ্ণাটকৰ সমৃদ্ধ ইতিহাসৰ বিষয়ে বিশেষভাৱে ৰেকৰ্ড কৰা তথ্যৰে ভৰা।
প্ৰচুৰ প্ৰশংসা লাভ কৰা স্বত্বেও, সুৰেশ সৰল জীৱন-দৰ্শনেৰে পৰিচালিত এজন সৰল ব্যক্তিয়েই হৈ আছে।
মই গছ ৰোপণ কৰা অব্যাহত ৰাখিম আৰু আমাৰ পৰিৱেশ আৰু সংস্কৃতি সুৰক্ষিত কৰিম - কাৰণ মই পাৰো আৰু মই কৰিবই লাগিব।

# তুলসী ৰাম যাদৱ




*গাওঁবুঢ়া


গাওঁবাসীসকল তুলসী ৰামৰ ধাৰণাটোৰ বিষয়ে কৌতূহলী আছিল কিন্তু কেনেকৈ আগবাঢ়িব লাগে নিশ্চিত নাছিল।
দেউতা, তুলসী ৰামজীয়ে 'গাওঁৰ পানী গাঁৱত থাকিব' বুলি কি বুজাইছিল?
ইয়াৰ অৰ্থ হৈছে যে আমাৰ গাওঁৰ পানী খোৱা আৰু অন্য ঘৰুৱা ব্যৱহাৰৰ বাবে ৰাখিব লাগে। ইয়াক অপচয় বা আন ঠাইত ব্যৱহাৰ কৰিব নালাগে।
গতিকে, আমাৰ প্ৰত্যেকেই পানী ৰাহি কৰাত সহায় কৰিব পাৰো?
হয়, পানীৰ প্ৰতিটো টোপাল যে গুৰুত্বপূৰ্ণ, সেয়া আমি উপলব্ধ কৰিলে আমাৰ পানীৰ সমস্যা সমাধান কৰিব পাৰো।
তুলসী ৰামে কৃষকসকলক খেতিৰ বাবে বৰষুণৰ পানী সঞ্চয় কৰাৰ দ্বাৰা আৰম্ভ কৰিবলৈ পৰামৰ্শ দিছিল।
আহক, আমাৰ পথাৰত পুখুৰী খান্দি খালৰ সৈতে সংযোগ কৰো। আমি খেতিত ব্যৱহাৰৰ বাবে বৰষুণৰ পানী সংগ্ৰহ কৰিম।
এনে কাৰ্যই আমাক গোটেই বছৰটোত খেতি কৰাত সহায় কৰিব। আমি এইটো এতিয়াই কৰা উচিত।
কৃষকসকলে 40 টাতকৈও অধিক পুখুৰী খান্দি সেইবোৰক খালৰ সৈতে সংযুক্ত কৰিছিল।
কেইবাবছৰো পাৰ হোৱাৰ লগে লগে -
এসময়ৰ শুকান পুখুৰীবোৰ এতিয়া পানীৰে ভৰি পৰিছে আৰু আমালৈ সমৃদ্ধি কঢ়িয়াই আনিছে।
হয়, তুলসী ৰামজীয়ে ঠিকেই কৈছিল। লুখতাৰা এতিয়া এখন আদৰ্শ গাওঁ।
প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতত তুলসী ৰাম যাদৱৰ জল সংৰক্ষণৰ প্ৰচেষ্টাক প্ৰশংসা কৰাৰ পিছত–
তুলসী ৰাম জী, আপুনি এজন জল সংৰক্ষণকাৰী নায়ক! এতিয়া গোটেই পৃথিৱীয়ে আমাৰ গাওঁখনক জানে।
আমি একত্ৰিত হৈ কাম কৰাৰ বাবেহে এই পৰিৱৰ্তন সম্ভৱ হৈছিল।



# মন কি বাত

## খণ্ড - ৪

“মানুহৰ প্ৰয়োজনীয়তাৰ বাবে পৃথিৱীখন পৰ্যাপ্ত কিন্তু মানুহৰ লোভৰ বাবে পৰ্যাপ্ত নহয়।” আমাৰ ৰাষ্ট্ৰ-পিতা মহাত্মা গান্ধীয়ে কোৱা এই কথাষাৰ আমি প্ৰায়ে পাহৰি যাও। ব্যৱসায় আৰু উদ্যোগ বৃদ্ধি হোৱাৰ লগে লগে বিশাল পৰিমাণৰ আৱৰ্জনাৰ সৃষ্টি হৈছে আৰু পৰিৱেশৰ অপূৰণীয় ক্ষতি হৈছে। অৱশ্যে, কেইজনমান দায়িত্বশীল নাগৰিকে দায়িত্ব ল'লেই ইয়াক প্ৰতিৰোধ কৰাটো সম্ভৱ হৈ উঠিব।

মন কি বাতৰ অষ্টম খণ্ডটো দেশৰ বিভিন্ন ঠাইৰ এনে কেইজনমান লোকৰ বিষয়ে যি কিছুমান সমস্যাৰ সন্মুখীন হৈছিল আৰু সেই সমস্যা সমাধানৰ দায়িত্ব কান্ধ পাতি লৈছিল।

চৰাইবোৰক বিপদৰ পৰা ৰক্ষা কৰিবলৈ ঘৰ নিৰ্মাণ কৰা ইন্দ্ৰপাল সিং বাত্ৰাৰ পৰা নাগানদী পুনৰুজ্জীৱিত কৰি তোলা তামিলনাডুৰ মহিলাসকললৈকে, এই এঘাৰটা কাহিনী হ'ল পৰিৱেশ সংৰক্ষণ কৰাৰ দিশত কাম কৰা নায়কসকলৰ বিষয়ে। তেওঁলোকৰ প্ৰত্যেকেই সঠিক দিশত একো একোটা পদক্ষেপ লৈছিল আৰু আন শ শ লোকক সেই অভিযানত যোগদান কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।



₹99

www.amarchitrakatha.com
ISBN 978-93-6127-634-7
9 789361 276347